# REGIONAL NEWS UNIT

# AKASHVANI, GUWAHATI

0000000000

**Date : 10**-08-2025 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## Headlines

১। ৰাজ্যিক মন্ত্রীসভাৰ মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমিৰ ম্যাদী পট্টা প্রদান প্রক্রিয়াত অনুমোদন।

২। গোলাঘাট জিলাৰ উৰিয়ামঘাটত স্বাধীনতা দিৱসৰ পাছত পুনৰ উচ্ছেদৰ সম্ভাৱনা।

৩। সমাগত স্বাধীনতা দিৱসৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত কটকটীয়া নিৰাপত্তা ব্যৱস্থা।

৪। যক্ষ্মা ৰোগৰ ঔষধৰ সহজলভ্য প্ৰযুক্তিৰ উদ্ভাৱনৰ বাবে অসম সন্তান ড০ মুকুট গোহাঁইলৈ ইউনিটাইড সংস্থাৰ বিশেষ বঁটা।

আৰু

৫। অসমৰ আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰ মায়াং চক্ৰৱৰ্তীৰ গুৱাহাটী স্মাৰ্ট চিটী আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতাত দ্বিতীয় স্থান।

০০০০০

ৰাজ্যিক কেবিনেটে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমিৰ ম্যাদী পট্টা প্ৰদান প্ৰক্ৰিয়াত অনুমোদন জনাইছে। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্যৰ ৩৬ হাজাৰ বিদ্যালয়, মহাবিদ্যালয়, নামঘৰ, ক্লাব, চৰকাৰী কাৰ্যালয় আৰু স্বেচ্ছাসেৱী সংস্থাক চৰকাৰী ভূমি দখলৰ বিপৰীতে ম্যাদী পট্টা প্ৰদানত অনুমোদন জনোৱা হৈছে। কেবিনেটৰ অনুমোদনৰ পাছতেই যিসমূহ চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে ম্যাদী পট্টা অবিহনে চৰকাৰী ভূমি দখল কৰি আছিল, সেইসমূহ আবেদনকাৰী অনুষ্ঠানলৈ ৰাজহ বিভাগে ম্যাদী পট্টা আৱণ্টনৰ জাননী জাৰি কৰিছে। ৰাজহচক্ৰ বিষয়াই জাৰি কৰা নিৰ্দেশনাত মিছন বসুন্ধৰাৰ অধীনত ভূমিৰ ম্যাদী পট্টাৰ

বাবে ধায্য কৰা মাচুলৰ বিষয়েও উল্লেখ কৰা হৈছে। এই মাচুল পৰিশোধ কৰাৰ পাছতহে ভূমিৰ ম্যাদী পট্টা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হব বুলি ৰাজহ বিভাগৰ জাননীত স্পষ্ট কৰি দিয়া হৈছে।

০০০০

গোলাঘাট জিলাৰ উৰিয়ামঘাটত স্বাধীনতা দিৱসৰ পাছত পুনৰ উচ্ছেদ চলোৱা হব। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিক পুনৰ সেউজ কৰি তোলাৰ লক্ষ্যৰে কালিৰে পৰা গছপুলি ৰোপণ কৰা হৈছে। এই কাৰ্যসূচী ৰূপায়নৰ পাছত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰধান মুখ্য বন সংৰক্ষক গৰাকীয়ে কালি এই বিষয়ে প্ৰকাশ কৰে। এই সম্পৰ্কে আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়--

(বাইট)

বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা বনানিকৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাইছে। উল্লেখযোগ্য যে যোৱা ৩০ জুলাইৰ পৰা চলি থকা এই উচ্ছেদ অভিযানত অঞ্চলটোৰ ১০ হাজাৰ বিঘাৰো অধিক ভূমি দখলমুক্ত কৰা হৈছিল। সোণাৰি বিলত আৰম্ভ কৰা এই গছপুলি ৰোপণ অভিযান অন্যান্য উচ্ছেদিত ভূমিলৈ সম্প্ৰসাৰণ কৰা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত বিশেষ মুখ্য সচিব এম কে যাদৱ, জিলাখনৰ আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। বিশেষ মুখ্য সচিব শ্ৰী যাদৱে এই অনুষ্ঠানত কয়, যে এই পুনৰুদ্ধাৰ কৰা ভূমিত ২৩ ছেপ্টেম্বৰ পৰ্যন্ত গছপুলি ৰোপণ চলি থাকিব। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই এই কাৰ্যসূচীক উৰিয়ামঘাটৰ বাবে নতুন আৰম্ভণি বুলি অভিহিত কৰি অহা ৫ বছৰৰ ভিতৰত অঞ্চলটো পৰ্যটনৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ব বুলিও আশা প্ৰকাশ কৰে।

০০০০

৭৯ সংখ্যক স্বাধীনতা দিৱসৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন অসম ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ ঘাটিত ড্ৰোণেৰে আক্ৰমণ কৰাৰ পাছতেই মহানগৰ আৰক্ষীয়ে ব্যাপক সতৰ্কতা অৱলম্বন কৰিছে। শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰাৰ বাবে আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে কটকটীয়া নিৰাপত্তা বেষ্টনি গঢ়ি তুলিছে। মহানগৰীত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱা সংস্থাই

মহানগৰ আৰক্ষীক তথ্য যোগান ধৰাৰ পাছতে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে কেইবাখনো বৈঠকত নিৰাপত্তা ব্যৱস্থা সম্পৰ্কত আলোচনা কৰে। ইয়াৰ লগতে এনে কূটাঘাটমূলক কাৰ্য ৰোধ কৰাৰ বাবে মহানগৰীৰ চৌদিশে নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। মহানগৰ আৰক্ষী, অৰ্ধ সামৰিক বাহিনী প্ৰতি মুহূৰ্ততে সষ্টম হৈ থাকিবলৈ কোৱাৰ লগতে তালাচী অভিযান আৰু নৈশ তহল বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্বৰ দৰে এইবাৰো খানাপাৰ পশু চিকিতসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস আয়োজন কৰিছে। অসম আৰক্ষীত নতুনকৈ অন্তৰ্ভুক্ত হোৱা কেইবাটাও নিৰাপত্তা বাহিনীৰ গোটে এই পেৰেডত অংশগ্ৰহণ কৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে।

০০০০

ব্ৰিটিছ ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শিশুৰ পৰা বৃদ্ধলৈ অগণন লোকে আন্দোলনত স্বতস্ফূৰ্তভাৱে অংশ লৈছিল। আন্দোলনত শ্বহীদ হোৱা বুলি তথ্য থকাসকলৰ বাহিৰেও অগণন বীৰ সেনানীয়ে দেশৰ হকে উত্তৰ-পূৰ্বাঞ্চলৰ পৰাই ৰণ কৰিছিল। সেই সমৃদ্ধ ইতিহাসক সামৰি বিস্তৰ গৱেষণাৰ থল আছে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক আলোচনাত অংশলৈ Untold Stories of the Freedom struggle from North East Indiaৰ ৰচক তথা বিশিষ্ট সাংবাদিক,  নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপে কালি এই কথা প্ৰকাশ কৰে। অনুষ্ঠানটোত ড° কাশ্যপে অসমৰ উপৰি উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰে স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশলোৱা কেইবাগৰাকীও বীৰ সেনানীৰ বিষয়ে উল্লেখ কৰে। তেওঁ ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ পৰা আৰম্ভ কৰি ভাৰত ত্যাগ আন্দোলন আৰু স্বাধীনতা লাভৰ সময়লৈকে সামৰি সেই অঞ্চলৰ লোকৰ আন্দোলনৰ সম্যক বিশ্লেষণ দাঙি ধৰে। তেওঁ নতুন প্ৰজন্মক এই সমৃদ্ধ ইতিহাসৰ বিষয়ে আগ্ৰহী হৈ অধ্যয়ন কৰিবলৈ আহ্বান জনায়।

***-বাইট-***

০০০০

অসম সন্তান ড° মুকুট গোহাঁইয়ে যক্ষ্মা ৰোগৰ ঔষধৰ সহজলভ্য প্ৰযুক্তি উদ্ভাৱনৰ বাবে ৰাষ্ট্ৰসংঘৰ অধীনৰ ইউনিটাইড সংস্থাটোৰ বিশেষ বঁটা লাভ কৰিছে। এই বঁটাৰ অংশ হিচাপে গৱেষণাৰ বাবে প্ৰয়োজনীয় অনুদান লাভ কৰিব। প্ৰথম পৰ্যায়ত ৩ বছৰৰ বাবে আৰ্থিক অনুদান আগবঢ়ায় সংস্থাটোৱে গৱেষণাৰ অগ্ৰগতিৰ ভিত্তিত ইয়াৰ সময়সীমা আৰু অনুদানৰ পৰিমাণ বৃদ্ধি কৰিব। উল্লেখযোগ্য যে, তিনিচুকীয়া জিলাৰ পানীতোলাৰ গন্ধিয়া গাঁৱৰ সন্তান ড° গোহাঁইৰ

নেতৃত্বত বিজ্ঞানীৰ এটা দলে আমেৰিকাৰ ভাৰ্জিনিয়া কমনৱেলথ বিশ্ববিদ্যালয়ৰ মেডিচিন ফ’ৰ অলৰ সৈতে যৌথ গৱেষণাত যক্ষ্মা ৰোগৰ ঔষধৰ সহজলভ্য প্ৰযুক্তি উদ্ভাৱন কৰিছে। তেওঁ লগতে উন্নত মানৰ ঔষধি গুণ যুক্ত জৈৱ যৌগৰ অন্বেষণ আৰু আৱিষ্কাৰৰ সৈতে জড়িত হৈ আছে।

০০০০

স্বাধীনতা দিৱসৰ পূৰ্বে উজনি অসমৰ ৫ খন জিলা ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউৰ গুৰুত্বপূৰ্ণ স্থানৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিবলৈ যোৱানিশা ডিব্ৰুগড়ৰ আৰক্ষী অতিথি শালাত এখন উচ্চ স্তৰীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত তেলৰ পাইপ লাইন, ৰে’লপথ বৃহৎ দলং আৰু অন্য গুৰুত্বপূৰ্ণ সম্পত্তিসমূহৰ সুৰক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। একেদৰে দেশৰ শক্তিখণ্ডত উজনি অসমত গুৰুত্বৰ কথা বিবেচনা কৰি অইল ইণ্ডিয়া লিমিটেডৰ খাদ আৰু পাইপ লাইন আদিৰ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হয়। এই  পুনৰীক্ষণ বৈঠকত ৰাজ্যিক আৰক্ষী বাহিনী আৰু কেন্দ্ৰীয় সুৰক্ষা সংস্থাসমূহৰ মাজত সমন্বয়ৰ প্ৰটকলসমূহক লৈও আলোচনা কৰা হয়। বৈঠকত স্বাধীনতা দিৱসৰ সময়ছোৱাত উগ্ৰপন্থী সংগঠনসমূহে চলাব পৰা কূটাঘাতৰ আশংকা কৰি ৰে’ল কৰ্তৃপক্ষক মুখ্য ৰে’লপথ আৰু গুৰুত্বপূৰ্ণ ষ্টেচনসমূহত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা কৰিবলৈ কোৱা হয়। বৈঠকত আৰক্ষীৰ সুৰক্ষা মহাপৰিদৰ্শক ইমদাদুল হুছেইন বৰাই অধ্যক্ষতা কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা নৱেম্বৰৰ শেষৰফালে ৰাজ্যৰ বিভিন্ন জিলাৰ **১১** হাজাৰ শিল্পীয়ে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বড়ো জনগোষ্ঠীৰ প্ৰধান লোকনৃত্য বাগুৰুম্বা পৰিবেশন কৰিব। ১০ হাজাৰ মহিলা নৃত্যশিল্পী আৰু এহেজাৰ পুৰুষ বাদ্যশিল্পীয়ে পৰিবেশন কৰিবলগীয়া এই অনুষ্ঠানটোক **বাগুৰুম্বা দ’হৌ** ৰূপে নামকৰণ কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি জনতা ভৱনত অনুষ্ঠিত এখন সভাত বিশেষজ্ঞ সমিতিৰ সৈতে প্ৰস্তাৱিত নৃত্যানুষ্ঠানটিৰ বিষয়ে আলোচনা কৰাৰ লগতে বিশেষজ্ঞসকলে অনুষ্ঠানটিৰ বাবে প্ৰস্তুত কৰা সংগীতত অনুমোদন জনায়। উল্লেখযোগ্য যে, বাগুৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজন কৰিবলৈ লোৱা এই অনুষ্ঠানৰ বাবে অহা দুমাহৰ ভিতৰতে শিল্পী, ওজা, প্ৰশিক্ষক আদি চূড়ান্ত কৰা হ’ব।

০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছ পৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি চিলাপথাৰত অনুষ্ঠিত সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ

ধেমাজি জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ মুকলি সভাত অংশগ্ৰহণ কৰিয়েই মন্ত্ৰীগৰাকীয়ে নতুন শিক্ষা নীতি আৰু ২১ শতিকাৰ দক্ষতা ভিত্তিক শিক্ষাৰ প্ৰাসংগিকতাৰ ওপৰত মত বিনিময় কৰে আৰু ইয়াৰ ভিত্তিত শিক্ষাৰ্থীসকলক আগবঢ়াই লৈ যাবলৈ সকলোকে আহ্বান জনায়।

০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি সাংসদ গৌৰৱ গগৈয়ে কালি তিনিচুকীয়াত উপস্থিত হৈ মটক ৰজা সৰ্বানন্দ সিংহ, বীৰ ৰাঘৱ মৰাণক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তাৰপাছতেই সাংসদগৰাকীয়ে গোলাপ চন্দ্ৰ-ৰবি চন্দ্ৰ নাট্য মন্দিৰত অনুষ্ঠিত এখন কংগ্ৰেছৰ যোগদান সভাত অংশগ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি কোনো এটা কামেই কৰিব নোৱাৰিলে বুলি বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয়, যে জনজাতিকৰণ, চাহ বাগিচাত বিনামূলীয়া বিজুলী যোগান, বিশুদ্ধ খোৱাপানী যোগান আদি বিষয়সমূহ চালেই বৰ্তমানৰ চৰকাৰখনে কি কাম কৰিছে সেয়া স্পষ্ট হৈ পৰে। উল্লেখযোগ্য যে, গৌৰৱ গগৈৰ উপস্থিতত তিনিচুকীয়াত ৩ শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে। যোগদান সভাৰ পাছতেই সাংসদ গগৈয়ে শদিয়াৰ প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ বাসগৃহলৈ যায়।

০০০০

আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰ কৌস্তুভ কুণ্ডুৱে ১০ ৰাউণ্ডৰ পৰা ৮ দশমিক ৫ পইণ্ট লাভ কৰি চি এম কাম দ্বিতীয় গুৱাহাটী স্মাৰ্ট চিটী আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। অন্তিম ৰাউণ্ডত কৌস্তুভে কৃষণ ছনিক পৰাস্ত কৰে। অসমৰ আন্তঃৰাষ্ট্ৰীয় মাষ্টাৰ মায়াংক চক্ৰৱতীয়েও ৮ দশমিক ৫ পইণ্ট লাভ কৰি দ্বিতীয় স্থান লাভ কৰে। পশ্চিম বংগৰ আলেখ্য মুখপাধ্যায়ে সমসংখ্যক পইণ্ট লাভ কৰে যদিও ট্ৰাই বেকাৰৰ ভিত্তিক তেওঁক তৃতীয় স্থান দিয়া হয়।

০০০০

News Paper Review

যক্ষ্মা ৰোগৰ ঔষধৰ সহজলভ্য প্ৰযুক্তি উদ্ভাৱনৰ বাবে অসম সন্তান বিজ্ঞানী ড° মুকুট গোহাঁইয়ে বিশ্ব স্বাস্থ্য সংস্থাৰ অধীনত ইউনিটাইড নামৰ সংস্থাটোৰ বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হোৱা বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ তথ্য অনুসৰি  ২০২০ চনৰ পৰা ২০২৫ চনৰ জুনলৈ ভাৰতৰ পৰা মুঠ ১৬ লাখৰো অধিক যুৱক-যুৱতী কৰ্মসংস্থাপন লাভৰ বাবে বিদেশলৈ যোৱাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অহা নৱেম্বৰৰ শেষৰ ফালে ৰাজ্যৰ বিভিন্ন জিলা **১১** হাজাৰ শিল্পীয়ে গুৱাহাটীৰ সৰুসজাই ষ্টেডিযামত বড়ো জনগোষ্ঠীৰ প্ৰধান লোকনৃত্য বাগুৰুম্বা পৰিৱেশন কৰিব। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

ভাৰতৰ বায়ুসেনাৰ মুৰববী মাৰ্ছেল অমৰপ্ৰীত সিঙে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ অপাৰেচন সিন্দূৰত পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত শতাধিক সন্ত্ৰাসবাদীৰ হত্যা তথা পাকিস্তানৰ বিস্তৰ সামৰিক ক্ষতিৰ তথ্য দাঙি ধৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগৰি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্ছ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এইসময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই  বিশেষে মজলীয়া  বৰষুণ  হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞানকেন্দ্ৰই আগলি বতৰা দিছে।

০০০০

***সমাপ্ত***